জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৯০/২০২০

**ভাৰত-বাংলাদেশ আন্তৰ্জাতিক সীমান্তত গৰুৰ চোৰাং সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান চলাবলৈ গৈ নিহত হোৱা অসম আৰক্ষীৰ কনিষ্টবল ৰবেন দাসৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ**

# ৰবেন দাসৰ পৰিয়াললৈ ৫ লাখ টকাৰ এককালীন সাহায্য ঘোষণা কৰিলে মুখ্যমন্ত্ৰীয়ে

## উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক নিহত আৰক্ষী জোৱানগৰাকীৰ গৃহলৈ গৈ পৰিয়ালক সাক্ষাতৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৮ অক্টোবৰ ঃ** দক্ষিণ শালমাৰা জিলাৰ মানকাছাৰ আৰক্ষী থানাৰ অন্তৰ্গত ভাৰত-বাংলাদেশ আন্তৰ্জাতিক সীমান্তত আজি গৰুৰ চোৰাং সৰবৰাহৰ লগত জড়িত দুষ্কৃতিকাৰী দল এটাৰ বিৰুদ্ধে অভিযান চলাবলৈ গৈ দুৰ্ঘটনাগ্ৰস্ত হৈ মৃত্যুক সাৱটি লোৱা অসম আৰক্ষীৰ জোৱান ৰবেন দাসৰ মৃত্যুত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

উল্লেখ্য যে আজি দুপৰীয়া ভাৰত-বাংলাদেশ আন্তৰ্জাতিক সীমান্তৰে গৰুৰ চোৰাং সৰবৰাহৰ লগত জড়িত এটা দলৰ বিৰুদ্ধে মানকাছাৰ আৰক্ষী থানাৰ অন্তৰ্গত ভাৰত-বাংলাদেশ আন্তৰ্জাতিক সীমান্তত নিয়োজিত অসম আৰক্ষীৰ পহৰাদাৰী এটা গোটে এক শক্তিশালী অভিযান চলাইছিল আৰু এই অভিযানত গৰুৰ চোৰাং সৰবৰাহৰ সৈতে জড়িত দলটোক অনুসৰণ কৰি থাকোতে দুৰ্ভাগ্যবশত এটা পুখুৰীত পিছল খাই পৰি আৰক্ষী কনিষ্টবল ৰবেন দাসে শোকাৱহভাৱে মৃত্যুক সাবটি ল'বলগীয়া হৈছিল।

মুখ্যমন্ত্ৰীয়ে এই ঘটনাৰ পিছতে উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক নিহত আৰক্ষী জোৱানগৰাকীৰ বৰপেটা জিলাৰ সৰ্থেবাৰী আৰক্ষী থানাৰ অন্তৰ্গত হাথিনাপুৰস্থিত গৃহলৈ গৈ পৰিয়ালক সাক্ষাৎ কৰাৰ নিৰ্দেশ দিয়াৰ লগতে মৃত আৰক্ষী জোৱানগৰাকীৰ পৰিয়ালৰ নিকটাত্মীয়লৈ ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদানৰ ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনক মৃত আৰক্ষী জোৱানগৰাকীৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

উল্লেখ্য যে মুখ্যমন্ত্ৰী সোণোৱাল নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰখনে দুৰ্নীতি আৰু চিণ্ডিকেটৰ বিৰুদ্ধে শক্তিশালী আৰু আপোচবিহীন পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই পদক্ষেপৰ অংশ হিচাপে গৰুৰ চোৰাং সৰবৰাহকাৰী আৰু এই চিণ্ডিকেটৰ লগত জড়িত দুষ্কৃতিকাৰীসকলৰ বিৰুদ্ধে অসম আৰক্ষীয়ে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি ভাৰত-বাংলাদেশ সীমান্তৰে গৰুৰ অবৈধ চোৰাং চিকাৰ ৰোধ কৰাৰ বাবেও আৰক্ষীয়ে নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰাৰ লগতে চোৰাং সৰবৰাহ ৰোধ কৰাৰ দিশতো শক্তিশালী পদক্ষেপ লৈছে। বিগত কেইদিনমান ধৰি অসম আৰক্ষীয়ে ৰাজ্যৰ বহু সংখ্যক স্থানত এই চোৰাং সৰবৰাহৰ লগত জড়িত দুষ্কৃতিকাৰীসকলৰ বিৰুদ্ধে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে।

**বঃভাঃ**
**১৮/১০/২০২০**